# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-05-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - -**

১। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণিৰ প্ৰাকমুহূৰ্তত বিভিন্ন ৰাজনৈতিক দলসমূহৰ ভোটদাতাক আকৰ্ষণৰ অন্তিম প্ৰয়াস। বৰপেটাত চি পি এমৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীৰ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰো বিভিন্ন ঠাইত প্ৰচাৰ অভিযান। কাইলৈ প্ৰচাৰ অভিযানৰ শেষ দিন।

২। তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ৪টা সমষ্টিৰ অন্তৰ্গত জিলা প্ৰশাসনসমূহৰ নিৰ্বাচনী প্ৰস্তুতি অব্যাহত। কাইলৈ বিয়লি ৫ বজাৰ পৰা ৭ মে'ৰ বিয়লি ৫ বজা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা।

৩। ৰাজ্যৰ বিভিন্ন স্থানত আৰক্ষী, আবকাৰী বিভাগ আৰু অন্যান্য সুৰক্ষা বাহিনীসমূহে বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ।

৪। ধাৰাষাৰ বৰষুণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যজুৰি বান আৰু দুৰ্যোগ সম্পৰ্কীয় প্ৰস্তুতি। ডিমা হাছাও জিলাত বৰাক উপত্যকা অভিমুখী বাণিজ্যিক বাহনৰ চলাচল নিয়ন্ত্ৰণ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি বেংগালুৰুত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু মুখামুখি।

00000

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ কাইলৈ অন্তিম দিন। এই উপলক্ষে তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণ হ'বলগীয়া ৪টা সমষ্টিত সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি বৰপেটা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ সমৰ্থনত বঙাইগাঁৱত প্ৰচাৰ চলায়। নিৰ্বাচনী সভাত ভাষণ দি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচেষ্টাত অসমত উগ্ৰবাদী সমস্যাৰ সমাধান হোৱাত ৰাজ্যখনত বিগত ৩টা বছৰত কোনোধৰণৰ হিংসাত্মক ঘটনা সংঘটিত হোৱা নাই। মহিলাসকলৰ স্বাস্থ্যৰ প্ৰতি বিজেপি নেতৃত্বাধীন চৰকাৰখনে বিশেষ গুৰুত্ব আৰোপ কৰা বুলি দাবী কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে, মহিলাসকলৰ জৰায়ুৰ কৰ্কটৰোগৰ বিনামূলীয়া প্ৰতিষেধক প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ২০২৫ চনত বঙাইগাঁওবাসী ৰাইজে বঙাইগাঁৱৰ নিৰ্মীয়মান চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা সেৱা লাভ কৰিব বুলি দাবী কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে উন্নয়নমূলক আঁচনিসমূহৰ ধাৰাবাহিকতা সুনিশ্চিত কৰিবলৈ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান জনায়। ইয়াৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে নলবাৰী জিলাৰ চামতা বালিপথাৰ আৰু গুৱাহাটীতো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

কোকৰাঝাৰ লোকসভা সমষ্টিতো নিৰ্বাচনী প্ৰচাৰলৈ মাত্ৰ এটা দিন বাকী থকা অৱস্থাত নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। লোকসভা সমষ্টিটোৰ অন্তৰ্গত ছিদলী-চিৰাং বিধানসভা সমষ্টিৰ নিলিবাৰীত এন ডি এৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ মন্ত্ৰী পীযূষ হাজৰিকাই প্ৰচাৰ চলায়। মন্ত্ৰীগৰাকীয়ে বিৰোধী দল কংগ্ৰেছৰ লগতে বিটিচিত ১৭ বছৰ শাসন কৰা হাগ্ৰামা মহিলাৰীৰ শাসনকালৰ তীব্ৰ সমালোচনা কৰে। ইয়াৰ বিপৰীতে বিজেপি আৰু ইউ পি পি এল মিত্ৰজোঁটৰ শাসনকালত অঞ্চলটোত জনসাধাৰণে শান্তিৰে জীৱন যাপন কৰিব পাৰিছে বুলি মন্ত্ৰীগৰাকীয়ে দাবী কৰে।

বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু সাংসদ ৰনগৌৰা নাৰ্জাৰীয়েও আজি কোকৰাঝাৰ সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ চিৰাং দুৱাৰত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

চিৰাং জিলাত নিৰ্বাচনী প্ৰচাৰ আৰু প্ৰস্তুতি সন্দৰ্ভত শুনক আমাৰ সংবাদদাতা কুঞ্জ মোহন ৰয়ৰ চমু অৱলোকন-

**ভইচ**

বৰপেটা লোকসভা সমষ্টিৰ চি পি এমৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰৰ হৈ আজি দলটোৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক সীতাৰাম  য়েচুৰীয়ে নিৰ্বাচনী প্ৰচাৰ চলায়। সৰভোগ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰচাৰ সভাখনত য়েচুৰীয়ে শাসনপক্ষক সমালোচনা কৰি বিজেপিৰ শাসনত সমগ্ৰ দেশতে অস্থিৰ পৰিৱেশ বিৰাজ কৰিছে বুলি দাবী কৰে। সামগ্ৰী মূল্য বৃদ্ধিয়ে দৰিদ্ৰসকলক জীয়াতু ভোগাইছে বুলি দাবী কৰি শ্ৰীয়েচুৰীয়ে কয় যে, কুশাসনৰ পৰা ভাৰতক মুক্ত কৰাৰ বাবে নিৰ্বাচন মূল অস্ত্ৰ।

ইফালে গুৱাহাটী লোকসভা সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছ তথা বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীৰ হৈ অসম নাগৰিক সমাজে আজি বিয়লি চানমাৰিৰ পূব গুৱাহাটী হাইস্কুল খেলপথাৰত নিৰ্বাচনী প্ৰচাৰ চলায়। সাংসদ অজিত কুমাৰ ভূঞাই অংশগ্ৰহণ কৰা প্ৰচাৰ সভাখনত বিশিষ্ট চিন্তাবিদ ড০ হীৰেন গোহাঁই উপস্থিত থাকে। সভাখনত গণতন্ত্ৰ ৰক্ষাৰ স্বাৰ্থত জনসাধাৰণক বিবেক ভোট দিবলৈ আহ্বান জনায়।

ধুবুৰী লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জাৱেদ  ইছলামৰ সমৰ্থনত আজি গোৱালপাৰা চহৰত এটা বাইক ৰেলী উলিওৱা হয়। গোৱালতুলি, বলধমাৰী খেলপথাৰৰ পৰা উলিওৱা বাইক ৰেলীটোৱে গোৱালপাৰা চহৰৰ ১৯টা ৱাৰ্ড পৰিভ্ৰমণ কৰে।

আনহাতে বিধায়ক আমিনুল ইছলামে আজি ধুবুৰীৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলৰ সমৰ্থনত এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলখনত মানকাচৰৰ বিধায়কগৰাকীয়ে শাসকপক্ষৰ লগতে কংগ্ৰেছ দলকো সংখ্যালঘু বিৰোধী স্থিতি গ্ৰহণ কৰা বুলি তীব্ৰ সমালোচনা কৰে। বৰপেটা জিলাৰ মন্দিয়াত আজি ধুবুৰী সমষ্টিৰ প্ৰাৰ্থী তথা এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলে এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰি প্ৰাৰ্থীগৰাকীয়ে কয় যে, দলটোৱে সংখ্যালঘু সকলক কেৱল ভোটবেংক হিচাপেহে ব্যৱহাৰ কৰিছে।

০০০০০

৭ মে'ত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ৪টা সমষ্টিৰ অন্তৰ্গত জিলা প্ৰশাসনসমূহে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। গোৱালপাৰা জিলাৰ ৯১০টা কেন্দ্ৰত ভোটগ্ৰহণৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পন্ন হৈছে। আনহাতে আটাইকেইখন জিলাতে কাইলৈ বিয়লি ৫ বজাৰ পৰা ভোটগ্ৰহণৰ দিনা বিয়লি ৫ বজা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। ভোটগ্ৰহণৰ বাবে জিলাখনক ১১৩টা ছেক্টৰত ভাগ কৰা হৈছে। ইতিমধ্যে

জিলাখনত তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলক পোষ্টেল বেলটৰ জৰিয়তে ভোটদানৰ সুবিধা কৰি দিয়া হৈছে। যোৱা ২ মে'ৰ পৰা চলা এই প্ৰক্ৰিয়াৰ ৬ মে'ত সামৰণি পৰিব। নিৰ্বাচন পৰিচালনাৰ বাবে নিয়োগ কৰা মাণ্ডলিক বিষয়া, অসামৰিক ছেক্টৰ বিষয়া আৰু গোৱালপাৰা আৰক্ষী ছেক্টৰ বিষয়াসকলৰ লগত জিলা প্ৰশাসনে কালি বিয়লি নিৰ্বাচনৰ চূড়ান্ত প্ৰস্তুতি সন্দৰ্ভত এখন সভা অনুষ্ঠিত কৰে।

ইফালে দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনৰ উদ্যোগত হাতশিঙিমাৰীৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি জিলাখনৰ নিৰ্বাচনৰ নিৰ্বাচনী দায়িত্বত নিয়োজিত ৪ শতাধিক বুথ পৰ্যায়ৰ বিষয়াক প্ৰশিক্ষণ দিয়া হয়।

আনহাতে কোকৰাঝাৰ জিলাতো জিলা প্ৰশাসনে শেষ পৰ্যায়ৰ ভোটাৰসকলক সজাগ কৰাৰ লক্ষ্যৰে সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰিছে। ই ভি এমৰ ব্যৱহাৰ সম্পৰ্কত ভোটাৰসকলক নিৰ্দেশনা প্ৰদান কৰাৰ লগতে এই কাৰ্যসূচীত দুৰ্গম অঞ্চলৰ ভোটাৰসকলক ভোটদানৰ বাবে উৎসাহিত কৰা হয়।

ooooo

ৰাজ্যৰ বিভিন্ন স্থানত আৰক্ষী, আবকাৰী বিভাগ আৰু অন্যান্য সুৰক্ষা বাহিনীসমূহে বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰিছে। তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ দৰঙা মেলাত আবকাৰী বিভাগ আৰু এছ এছ বিয়ে যুটীয়াভাৱে অভিযান চলাই বুজন পৰিমাণৰ সুৰাসহ দুজন লোকক আটক কৰিছে। আবকাৰী বিভাগে অবৈধ ভূটানী সুৰাৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান চলাই থকাৰ মাজতে চুবুৰীয়া ৰাষ্ট্ৰখনৰ পৰা অবৈধভাৱে আমদানি কৰা সুৰাৰ ব্যৱসায় অব্যাহত আছে। এই বিষয়ে লাভ কৰা গোপন তথ্যৰ পৰিপ্ৰেক্ষিতত অভিযান চলাই জিলা আবকাৰী বিভাগে এছ এছ বিৰ সহযোগত এখন চাৰিচকীয়া বাহনত বুজন পৰিমাণৰ সুৰাসহ দুজন ব্যক্তি আটক কৰিবলৈ সমৰ্থ হয়।

ইফালে হোজাই জিলাৰ লংকাত নিচাযুক্ত দ্ৰব্যৰ তিনিটা কণ্টেইনাৰসহ এজন সৰবৰাহকাৰীক লংকা আৰক্ষীয়ে আজি আটক কৰে। এই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। আনহাতে লামডিং ৰে'লৰে জংচনতো নামনিমুৱা অবধ আছাম এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ পৰা ৰে'লৰে আৰক্ষীয়ে কালি নিশা কেইবা লক্ষাধিক টকাৰ হেৰ'ইন জব্দ কৰিছে। ইফালে পল্টনবজাৰস্থিত গুৱাহাটী ৰে'ল ষ্টেচনত আজি ৰে'লৰে আৰক্ষীয়ে গাঞ্জাসহ দুজন সৰবৰাহকাৰীক আটক কৰিছে।

তিনিচুকীয়া জিলাতো মাৰ্ঘেৰিটাত মহকুমা আৰক্ষীয়ে বুজন পৰিমাণৰ হেৰ'ইন আৰু নিচাযুক্ত দ্ৰব্য জোখা মেচিনসহ এজন যুৱকক আটক কৰিবলৈ সমৰ্থ হৈছে।

উল্লেখযোগ্য যে কৰিমগঞ্জ জিলাতো আৰক্ষীয়ে বৰাইগ্ৰাম অঞ্চলত অভিযান চলাই বেংগালুৰুলৈ পৰিবহণৰ উদ্দেশ্যেৰে কুৰিয়াৰ প্ৰতিষ্ঠান এটাত গোটাই থোৱা বুজন পৰিমাণৰ হেৰ'ইন চাবোনৰ বাকচত উদ্ধাৰ কৰে। আৰক্ষীয়ে নিচাযুক্ত দ্ৰব্যখিনি প্ৰেৰক আৰু গ্ৰাহকক বিচাৰি তদন্ত অব্যাহত ৰাখিছে।

ooooo

ডিমা হাচাও জিলাত বিগত কিছু দিন ধৰি হৈ থকা ধাৰাষাৰ বৰষুণ আৰু ভূমিস্খলনৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে কেতবোৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগ আৰু গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ পৰা লাভ কৰা আগতীয়া জাননী অনুসৰি জিলা প্ৰশাসন আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণে জিলাখনত যান-বাহনৰ চলাচল কিছু নিয়ন্ত্ৰণ কৰিছে। এই অনুসৰি আজি নিশা ৮ বজাৰ পৰা কাৰ্যকৰী হোৱাকৈ গধূৰ বাণিজ্যিক বাহনসমূহে ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জাতিংগা-হাৰাংহাজাও অংশ অতিক্ৰম কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পথটোৰ মেৰামতিৰ কাম চলি থকাৰ লগতে প্ৰচণ্ড বৰষুণে সৃষ্টি কৰা পৰিস্থিতিলৈ লক্ষ্য ৰাখি এই সিদ্ধান্ত লোৱা হৈছে। বৰাক উপত্যকাৰ

পৰা অহা-যোৱা কৰা গধূৰ বাণিজ্যিক বাহনসমূহক বিকল্প পথ ব্যৱহাৰ কৰিবলৈ কোৱা হৈছে। পৰৱৰ্তী জাননী নিদিয়া পৰ্যন্ত মেঘালয়ৰ মাজেৰে যান-বাহনসমূহৰ চলাচল কৰোৱাবলৈ নিৰ্দেশ দিয়া হৈছে। সম্ভাৱ্য বিপজ্জনক পৰিস্থিতিৰ সন্মুখীন হোৱাৰ পৰা ৰক্ষা কৰিবলৈ এনে পদক্ষেপ লোৱা হৈছে। উল্লেখযোগ্য যে, বতৰ বিজ্ঞান বিভাগে জিলাখনত ৫ মে'ৰ পৰা ১৫ মে পৰ্যন্ত ধাৰাষাৰ বৰষুণৰ আগজাননী দিছিল। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনৰ প্ৰশাসনে জনসাধাৰণক নিতান্তই প্ৰয়োজন নহ'লে ঘৰৰ পৰা বাহিৰ নোলাবলৈ পৰামৰ্শ দিছিল। তদুপৰি প্ৰতিকূল বতৰত হ'ব পৰা সম্ভাব্য অসুবিধাৰ সন্মুখীন হোৱাৰ বাবে সাজু হৈ থাকিবলৈও পৰামৰ্শ দিয়া হৈছিল। আনহাতে প্ৰতিকূল পৰিস্থিতিত জৰুৰীকালীনভাবে সহায় আগবঢ়াবলৈ জিলা জৰুৰীকালীন সহায় কেন্দ্ৰৰ টোলফ্ৰী নম্বৰ ০৩৬৭৩-২৩৬৩২৪ আৰু ০৩৬৭৩-১০৭৭ত যোগাযোগ কৰিবলৈ কোৱা হৈছে। কৰ্তৃপক্ষই জিলাখনত হ'ব পৰা যিকোনো পৰিস্থিতিৰ মুখামুখি হোৱাৰ বাবে তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিছে।

ooooo

ওদালগুৰি জিলাৰ মহকুমাধিপতিৰ কাৰ্যালয়ত আজি চলিত বছৰৰ বাবে বানৰ সময়ত ল'বলগীয়া প্ৰস্তুতি সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। এই সভাত বান আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সন্দৰ্ভত বিতংকৈ আলোচনা কৰা হয়। সভাখনত প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। কৰিমগঞ্জ জিলাতো প্ৰশাসনে বানৰ সময়ত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ প্ৰস্তুতি চলাইছে। প্ৰাকৃতিক দুৰ্যোগৰ সময়ত যোগাযোগ স্থাপনৰ বাবে কৰিমগঞ্জত এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। নিয়ন্ত্ৰণকক্ষৰ টেলিফোন নম্বৰত যোগাযোগ কৰি জনসাধাৰণে বানৰ সময়ত সন্মুখীন হোৱা সমস্যা সম্পৰ্কে অৱগত কৰিব পাৰে।

ooooo

তিনিচুকীয়াত সমগ্ৰ শিক্ষাৰ উদ্যোগত আজি চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত সাধুকথাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মনস্তাত্বিক উৎকৰ্ষ সাধনৰ বাবে **সাধু শুনো আহা** শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ আৰু ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীলৈ দুটা শাখাত এই কাৰ্যসূচী অনুষ্ঠিত হয়। ক-শাখাৰ ১৬ গৰাকী আৰু খ-শাখাৰ ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক একোটা উপহাৰ আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

ooooo

তিনিচুকীয়া জিলা প্ৰশাসনে আজি জিলাখনত পথ দুৰ্ঘটনাৰ ক্ষেত্ৰত স্পৰ্শকাতৰ হিচাপে চিহ্নিত হোৱা কেইবাটাও অঞ্চলত গতিৰোধক, প্ৰতিফলক, পথ বিভাজক আদিৰ প্ৰয়োজন অনুসৰি ব্যৱস্থা ল'বলৈ জিলা পৰিবহণ বিভাগ আৰু লোক নিৰ্মাণ বিভাগলৈ নিৰ্দেশ জাৰি কৰে। এই সন্দৰ্ভত জিলাখনৰ আয়ুক্তগৰাকীয়ে ৰূপাই, কাকপথাৰ, ডিৰাক পথ পৰিদৰ্শন কৰি এই নিৰ্দেশ জাৰি কৰে। ইফালে কাকপথাৰ অঞ্চলত আৱৰ্জনা নিষ্কাশনৰ সম্পৰ্কতো আয়ুক্তগৰাকীয়ে স্থানীয় লোকসকলৰ সৈতে মত বিনিময় কৰে।

ooooo

মৰিয়নি নিবাসী ছম্ভু বাল্মিকীৰ হত্যাৰ অপৰাধত জিলা আৰক্ষীয়ে তিনিজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। একেটা পৰিয়ালৰ সদস্য কেইগৰাকীয়ে বৃহস্পতিবাৰে নিশা অপৰাধটো সংঘটিত কৰাৰ পাছত শুকুৰবাৰে পুৱা ডিমাপুৰ অভিমুখে পলায়ন কৰে যদিও আৰক্ষীয়ে তৎপৰতাৰে তেওঁলোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৰে গ্ৰীষ্ম কালত যাত্ৰীৰ সংখ্যা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটীৰ পৰা কেইখনমান বিশেষ ৰে'লৰ চলাচল কৰাব। উভয় দিশত এখন বিশেষ ৰে'ল জম্মু-কাশ্মীৰৰ জম্মু-তবী আৰু

গুৱাহাটীৰ মাজত ৯ টাকৈ যাত্ৰাৰ বাবে চলাচল কৰিব। আন এখন ৰে'ল ৮টাকৈ যাত্ৰাৰ বাবে মহাৰাষ্ট্ৰৰ পুনে আৰু গুৱাহাটীৰ মাজত চলাচল কৰিব। ইপিনে এখন বিশেষ ৰে'ল গুৱাহাটীৰ পৰা আগৰতলালৈ এটা যাত্ৰাৰ বাবে চলাচল কৰোৱা হ'ব বুলি ৰে'লৰে সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

নিৰ্বাচনী কৰ্তব্যত গাফিলতি কৰাৰ অভিযোগত আজি গোৱালপাৰা নিৰ্বাচনী জিলাত এগৰাকী ছেক্টৰ বিষয়াক নিলম্বন কৰা হয়। ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত জলেশ্বৰ বিধানসভা সমষ্টিৰ তৰংগাপুৰ ভোটগ্ৰহণ কেন্দ্ৰৰ ছেক্টৰ বিষয়া হিচাপে কৰ্মৰত চন্দন দাস নামৰ বিষয়াগৰাকীক আজি নিলম্বিত কৰা হয়। জিলা নিৰ্বাচনী বিষয়া খনীন্দ্ৰ চৌধুৰীয়ে আজি এটা নিৰ্দেশ যোগে বিষয়াগৰাকীক তৎকালীন ভাবে কাৰ্যকৰী হোৱাকৈ নিলম্বন কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত